NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 3-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, মহাত্মা গান্ধীৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছতাক এটা গণজাগৰণলৈ পৰিৱৰ্তন কৰিলে আৰু জনসাধাৰণৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এটা পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বৃহত বৰঙণি আগবঢ়াইছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে কাইলৈ শ্ৰীলংকা ভ্ৰমণ কৰিব।

৩। কেন্দ্ৰীয় চৰকাৰে আজি প্ৰধানমন্ত্ৰী শিক্ষানবিছ আঁচনিৰ পাইলট প্ৰজেক্ট মুকলি কৰে।

৪। নিৰ্বাচন আয়োগে আজি তিনিটা পৰ্যায়ত অনুষ্ঠিত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ মুঠ ভোটদানৰ হাৰ ৬৩ দশমিক ৮-৮ শতাংশ হৈছে বুলি প্ৰকাশ কৰিছে।

*আৰু*

৫। পেৰুৰ লীমাত অনুষ্ঠিত আই এছ এছ এফ জুনিয়ৰ বিশ্ব ছেম্পিয়নশ্বিপত ভাৰতে ১০টা সোণ, এটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৫টা পদক অৰ্জনেৰে প্ৰতিযোগিতাৰ পদক তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰিছে।

oooooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কৈছে যে, মহাত্মা গান্ধীৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছতাক এটা গণজাগৰণলৈ পৰিৱৰ্তন কৰিলে আৰু জনসাধাৰণৰ মাজত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ এটা পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত বৃহত বৰঙণি আগবঢ়াইছে। মন্ত্ৰীগৰাকীয়ে আজি আহমেদাবাদত ৪৭০ কোটি টকাৰো অধিক ভালেমান উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ভালেমান প্ৰকল্প মুকলি কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী শ্বাহে কয় যে, বিগত ৫টা বছৰত গান্ধী নগৰ সংসদীয় সমষ্টিত স্বাস্থ্য আন্তঃগাঁথনি, শিক্ষাকে ধৰি জনসাধাৰণৰ কল্যাণৰ বাবে ৩৭ হাজাৰ কোটি টকাৰো অধিক ভালেমান প্ৰকল্পৰ কাম কৰা হৈছে। তেওঁ আহমেদাবাদ পৌৰ সভাই প্ৰাথমিক বিদ্যালয়সমূহ স্মাৰ্ট বিদ্যালয় হিচাপে বিকশাই তোলা কাৰ্য উল্লেখযোগ্য বুলি অভিহিত কৰে। শ্ৰী শ্বাহে তেওঁৰ গৃহ ৰাজ্য ভ্ৰমণৰ সময়ছোৱাত নিজৰ সংসদীয় সমষ্টি গান্ধী নগৰৰ জি এম ই আৰ এছ চিকিৎসালয়ত আজি পুৰা নতুনকৈ নিৰ্মাণ কৰা এটা টেলী পুনৰ সংস্থাপন কেন্দ্ৰকে ধৰি ভালেমান প্ৰকল্প মুকলি কৰে। ইয়াৰ পাছতে শ্ৰী শ্বাহে আহমেদাবাদৰ সমীপত বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ শ্বাহিবাগত নতুনকৈ নিৰ্মাণ কৰা আহমেদাবাদ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়টো উদ্বোধন কৰে। তেওঁ লগতে আহমেদাবাদৰ জি এম ডি চি গ্ৰাউণ্ডত

গুজৰাট টুৰিজিমে আয়োজন কৰা গুজৰাট নৱৰাত্ৰী উৎসৱৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে আহমেদাবাদৰ তিনিটা স্থান নৱৰাত্ৰী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চৰকাৰী কাৰ্যসূচীৰে কাইলৈ শ্ৰীলংকা ভ্ৰমণ কৰিব। শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিছানায়াকে বিগত সপ্তাহত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত ভাৰত আৰু শ্ৰীলংকাৰ মাজত দ্বিপাক্ষী সম্পৰ্ক সুদৃঢ় কৰাৰ বাবে এয়া হ'ব প্ৰথম  উচ্চ পৰ্যায়ৰ ভ্ৰমণ। ড০ জয়শংকৰে শ্ৰীলংকাৰ ৰাষ্ট্ৰীপতিগৰাকীৰ লগতে প্ৰধানমন্ত্ৰী ড০ হাৰিনি আমাৰাছুৰীয়াক সাক্ষাৎ কৰিব। তেওঁ লগতে শ্ৰীলংকাৰ বিদেশ মন্ত্ৰীগৰাকীকো সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিক প্ৰতিফলিত কৰি দ্বীপ ৰাষ্ট্ৰখনক সহায়ৰ প্ৰতি থকা ভাৰতৰ দায়বদ্ধতাক পুনৰ প্ৰতিষ্ঠা কৰিব। ইয়াৰ উপৰি দুয়োখন দেশৰ মাজত দীৰ্ঘদিন ধৰি অব্যাহত থকা পাৰস্পৰিক বিষয়সমূহ সুদৃঢ় কৰিব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে আজি প্ৰধানমন্ত্ৰী শিক্ষানবিছ আঁচনিৰ পাইলট প্ৰজেক্ট মুকলি কৰে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিৰ কথা ঘোষণা কৰিছে। ইয়াৰ অধীনত  অনাগত পাঁচটা বছৰত ৫০০ টা শীৰ্ষ কোম্পানীত এক লাখ যুৱকক শিক্ষানবিছৰ সুবিধা প্ৰদানৰ লক্ষ্য লোৱা হৈছে। কৰ্পোৰেট মন্ত্ৰ্যালয়ৰ সূত্ৰ অনুসৰি এই পাইলট আঁচনিৰ বাবে চৰকাৰে ৮০০ কোটি টকা ধাৰ্য্য কৰিছে। সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত এক লাখ ২৫ হাজাৰ শিক্ষানবিছৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অনলাইন প'ৰ্টেল pminternship.mca.gov.in যোগে ইয়াক ৰূপায়ণ কৰা হ'ব।

প্ৰাৰ্থীসকলে অহা ১২ অক্টোবৰৰ পৰা ২৫ অক্টোবৰৰ ভিতৰত এই অনলাইন প'ৰ্টেলত আবেদন কৰিব পাৰিব। বিগত তিনিটা বৰ্ষত সামাজিক দায়বদ্ধতা শিতানত ব্যয় কৰাৰ আধাৰত কোম্পানীসমূহ  নিৰ্বাচন কৰা হৈছে। সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি কোনো প্ৰতিষ্ঠানত নিয়মীয়াকৈ নিযুক্ত নোহোৱা আৰু নিয়মীয়া কাৰ্যসূচীৰে শিক্ষা গ্ৰহণ কৰি নথকা ২১ৰ পৰা ২৪ বছৰ বয়সৰ যুৱ প্ৰজন্মই ইয়াৰ বাবে আবেদন কৰিব পাৰিব। শিক্ষানবিছসকলক মাহে পাঁচ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। ইয়াৰে চাৰে চাৰি হাজাৰ টকা চৰকাৰে প্ৰদান কৰাৰ বিপৰীতে ৫০০ টকা কোম্পানীসমূহে প্ৰদান কৰিব। আনহাতে কৰ্পোৰেট মন্ত্ৰ্যালয়ে শিক্ষানবিছ হিচাপে অন্তৰ্ভুক্ত হোৱাৰ পাছত প্ৰতিগৰাকীকে এককালীন ছহেজাৰ টকা অতিৰিক্তকৈ প্ৰদান কৰিব।

০০০০০০০

সীমান্ত পথ উন্নয়ন সংস্থাৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল ৰঘু শ্ৰীনিবাসনে পৰহিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিছে। তেওঁ উত্তৰ আৰু পূব ছিকিমত সংস্থাৰ অধীনত অব্যাহত থকা বিভিন্ন নিৰ্মাণ আৰু পুনৰনিৰ্মাণ কাৰ্যৰ সবিশেষ বুজ লয়। তেওঁ আজি ছিকিমৰ ৰাজভৱনত ৰাজ্যপাল ওম প্ৰকাশক সাক্ষাৎ কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙক গেংটকত সাক্ষাৎ কৰি এই সন্দৰ্ভত সবিশেষ অৱগত কৰে। ইয়াৰ উপৰি সঞ্চালক প্ৰধানগৰাকীয়ে ৰাজ্যৰ প্ৰধান সচিবক সাক্ষাৎ কৰি এই নিৰ্মাণ কাৰ্যৰ সময়ত সংস্থাটোৱে  বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ কথা অৱগত কৰে। মুখ্য সচিবগৰাকীয়ে তেওঁ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে।

0000000

অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনে আজি দৈমুখত থকা ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্মৰ অধ্যয়ন কেন্দ্ৰ এটা আধাৰশিলা স্থাপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী কৌশল বিকাশ কেন্দ্ৰ এটা মুকলি কৰে। তেওঁ লগতে ফেকাল্টী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত জাৰ্মানীৰ ছেন্সেল'ৰৰ নিৰাপত্তা আৰু বৈদেশিক নীতিৰ উপদেষ্টা জেনছ্ প্লটনাৰ সৈতে মিলিত হয়। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে, সাক্ষাৎকালত তেওঁলোকে সমাগত ভাৰত জাৰ্মানী আন্তঃচৰকাৰী আলোচনাৰ প্ৰস্তুতিৰ সন্দৰ্ভত সবিশেষ বুজ লয়।

0000000

জম্মু আৰু কাশ্মীৰত চলিত বৰ্ষৰ শেষ ভাগত পঞ্চায়ত আৰু স্থানীয় নিকায়সমূহৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া মতে, লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত হোৱাৰ পাছত জম্মু-কাশ্মীৰত অহা ডিচেম্বৰ মাহত পঞ্চায়ত আৰু স্থানীয় নিকায়সমূহৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। পঞ্চায়ত তথা স্থানীয় নিকায়সমূহৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় শাসিত অঞ্চলটোত যাতে শান্তি-শৃংখলা পৰিস্থিতি সুনিশ্চিত কৰি ৰাখিব পাৰি তাৰ বাবে বিধানসভাৰ নিৰ্বাচনত নিয়োজিত নিৰাপত্তাবাহিনীৰ লোকসকলক নিয়োজিত কৰি ৰখা হ'ব।

0000000

নিৰ্বাচন আয়োগে আজি তিনিটা পৰ্যায়ত অনুষ্ঠিত জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ মুঠ ভোটদানৰ হাৰ ৬৩ দশমিক ৮-৮ শতাংশ হৈছে বুলি প্ৰকাশ কৰিছে। ইয়াৰে ৬৪ দশমিক ৬-৮ শতাংশ পুৰুষ ভোটাৰ হোৱাৰ বিপৰীতে ৬৩ দশমিক ০-৪ শতাংশ মহিলা ভোটাৰ। অহা ৮ অক্টোবৰত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

0000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক নিষিদ্ধ ঘোষণা কৰিছে। আজি ন্যায়ালয়ে নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অফলাইন তথা অনলাইন কোনো মাধ্যমতে লটাৰী অনুষ্ঠিত কৰিবলৈ যাতে অনুমতি নিদিয়ে তাৰ বাবে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। লগতে কোনো অবৈধ লটাৰী অনুষ্ঠিত কৰাৰ ঘটনা দৃষ্টিগোচৰ হ'লে লগে লগে আয়োজকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে।

0000000

আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ আৰু পৰিৱেশ তথা বণ্যপ্ৰাণীৰ মঞ্চ, বাতাৱৰণ আজি নতুন দিল্লীত **পৰিয়াবৰণ ভৱনত** উদ্বোধন কৰা হয়। **জীৱনৰ বাবে জলাশয়** বিষয়বস্তুৰে তিনিদিনীয়াকৈ এই চলচ্চিত্ৰ মহোৎসৱৰ

অনুষ্ঠিত কৰা হৈছে। অনুষ্ঠানত ভাষণ দি পৰিৱেশ মন্ত্ৰালয়ৰ বনৰ সঞ্চালক প্ৰধান জিতেন্দ্ৰ কুমাৰে কয় যে, ভাৰতৰ পৰিৱেশ আৰু অৰ্থনৈতিক লাভৰ বাবে জলাশয় সমূহ অতি গুৰুত্বপূৰ্ণ।

০০০০০০০

পেৰুৰ লীমাত অনুষ্ঠিত আই এছ্ এছ্ এফ জুনিয়ৰ বিশ্ব ছেম্পিয়নশ্বিপত মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শাখাত ভাৰতৰ খুছীয়ে  কালি ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াকে ধৰি প্ৰতিযোগিতাত ভাৰতে ১০টা সোণ, এটা ৰূপ আৰু ৪টা ব্ৰঞ্জসহ মুঠ ১৫টা পদক অৰ্জনেৰে প্ৰতিযোগিতাৰ পদক তালিকাত শীৰ্ষ স্থান অধিকাৰ কৰিছে।

০০০০০০০

শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ আই চি চি টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন খেলত বাংলাদেশে স্কটলেণ্ডক ১৬ ৰানত পৰাস্ত কৰিছে। টছত জিকি বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুৰত স্কটলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১০৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়।

আনহাতে, আজিৰ দ্বিতীয়খন খেলত পাকিস্তান-শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ভাৰত কাইলৈ নিজৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ মুখামুখি হ'ব। এইবাৰৰ প্ৰতিযোগিতাত মুঠ ১০ খন দেশে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতা অহা ২০ অক্টোবৰলৈ চলিব। গ্ৰুপ-এত ভাৰতৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলণ্ড, পাকিস্তান, আৰু শ্ৰীলংকা অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গ্ৰুপ-বিত বাংলাদেশ, ইংলেণ্ড, স্কটলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ৱেষ্ট ইণ্ডিজ আছে। হৰমন প্ৰীত কৌৰৰ নেতৃত্বত ভাৰতীয় দলটোৱে এইবাৰ খিতাপ দখলৰ হকে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ আশা প্ৰকাশ কৰা হৈছে।

০০০০০০০

সমাপ্ত